গুপ্ত প্ৰণয়

(উষা অনিৰুদ্ধ চৰিত্ৰ)

লিখক—

শ্ৰীকৰ্ষ্ঠিৰাম পাটোৱাৰী পাঠক

বাহানা

GOVERNMENT OF
Call No. [illegible]
DISTRICT LIBRARY

প্ৰকাশক—

ৰজনীপ্ৰভা এজেন্সী

কমাৰকুছি (কামৰূপ)

১ম তাওৰণ

১৩৬০ চন

শ্ৰীশ্ৰীনাগপঞ্চমী।

◆

বেচ—॥৵০ অনা

লিখকৰ কথা

গুপ্ত-প্ৰণয নামৰ এই ক্ষুদ্ৰ পুথি খনি মই নিজে ৰচনা কৰি কমাৰকুচি গাওঁৰ শ্ৰীযুত প্ৰসন্ন চন্দ্ৰ বৰুৱাক ছপা কৰিবলৈ দিলো। তেখেতৰ যিমান বাৰ ইচ্ছা সিমান বাৰ প্ৰকাশ কৰি ৰাইজৰ আগত উলিযালে মই বৰ সুখী হম। শেষত ইযাকো কওঁ এই পুথিত মোৰ নামৰ বাহিৰে আন কোনো স্বত্ব নাথাকিল সকলো স্বত্ব প্ৰকাশকৰ।

ইতি— ১৮।২।৫৩ ইং

শ্ৰীকন্তিৰাম পাঠক

বাহানা

নিবেদন

দ্বিতীয়াৰ চন্দ্ৰ দেখি তেতেলী বেকা হোৱা, বাওনা হৈ স্বৰ্গ ঢুকি পাব খোজা, আৰু ময়ূৰক দেখি ঘনচিৰিকায় চানি ধৰা যেন কথা—মোৰ দৰে হতমূৰ্খৰ কবিত্ব বাঞ্ছা কৰা কথাও ঠিক তেনে কথা। কি কৰিম উপায় নাই। উদ্‌ভ্ৰান্ত মনৰ তীব্ৰ আবেগৰ প্ৰবল সোঁতক বান্ধি ৰাখিব নোৱাৰি **গুপ্ত প্ৰণয়** নামত এই কিবা কিবিখন লিখি পেলালো। পুথিখনিৰ বিষয়-বস্তুটো চাৰি পাচ খন বঙালী আৰু অসমীয়া পুথিত চাই মতান্তৰ দেখি বিশ্বাসাতীত কিছুমান ঘটনা এৰি দি আধুনিক ধৰণৰ বিশ্বাসযোগ্য কৰা কিছুমান জোৰা দি নাম আকাৰে পুথিখনি প্ৰকাশ কৰিলো। অপৈনত মস্তিষ্কৰ কোনো কথাই নিৰ্ভুল নহয়। আশাকৰো, পাঠক-পাঠিকা সকলে নিজগুণে ভুল-ভ্ৰান্তিৰ বাবে মাৰ্জনা কৰিব।

পৰিশেষত, গৱৰ্ণমেণ্ট সাহায্যপ্ৰাপ্ত দমদমা হাইস্কুলৰ সংস্কৃত শিক্ষক শ্ৰীযুত প্ৰমোদ চন্দ্ৰ দেৱ শৰ্ম্মা শাস্ত্ৰী মহোদয়ে পুথিখনিত এবাৰ চকু ফুৰাই যথা-সম্ভৱ ভুলবোৰ শুদ্ধ কৰি দিয়াৰ বাবে মই নথৈ আনন্দিত হৈ তেখেতৰ শ্ৰীচৰণত ভক্তি-পুষ্পাঞ্জলি দি ঋণ-মুক্তিৰ কামনা কৰিলো। ইতি—

বিনীত—

লিখক

গুপ্ত-প্ৰণয় সম্পৰ্কে একাষাৰ—

শ্ৰীমান কণ্ঠিৰাম পাটোৱাৰীৰ গুপ্ত-প্ৰণয পঢ়ি চালো। পুথিখন নাম আকাৰে লিখাত নাম-প্ৰসঙ্গ-প্ৰিয-গাৱঁলীয়া-ৰাইজলৈ উপযুক্ত হৈছে। উষা, অনিৰ আদৰ্শ প্ৰণয ডেকা-ডেকেৰীৰ মনোমত হব বুলিযে আশা। নৱা-মৰ্ত্তীযা হলেও শ্ৰীমানৰ কবিতাৰ ৰস ভঙ্গ, শব্দ বৈষম্য আদি দোষবোৰ দেখি পোৱা নাই। ভবিষ্যতে সৰ্ব্বাঙ্গ সুন্দৰ হব বুলি ভগৱানৰ ওচৰত কামনা কৰিলোঁ। আৰু পাঠক পাঠিকা সকলেও হোজা গাওঁলীযা লৰাৰ কবিতা বুলি উপলুঙা নকৰি বৰং আগলৈ উৎসাহিত কৰিব বুলি অনুৰোধ জনালোঁ। ইতি—

দমদমা হাইস্কুল
২০।২।৫৩ ইং

শ্ৰীপ্ৰমোদ চন্দ্ৰ দেৱ শৰ্ম্মা শাস্ত্ৰী

— উছৰ্গা —

যাৰ কৰুণাত দেখিলো সংসাৰ
যি দুজনাই দিলে প্ৰাণদান,
বুকুৰ শোণিত ঢালি দি দুজনে
জীয়াই ৰাখিলে মোৰ প্ৰাণ,
পিতা মাতা বুলি সেই দুজনাক
সদায় কৰিছো ধ্যান;
তেৰা সকলৰ অৰুণ পদত
গুপ্ত-প্ৰণয় কৰিলো দান ॥

ইতি—

অভাগা
কবি

॥ ওঁ ব্ৰহ্ম কৃপাহি কেৱলম্ ॥

উষা প্ৰণয়

১ নং ঘোষা—

অ নাৰায়ণে বোলে শুনা ব্ৰহ্মাৰ নন্দন।
উষা অনিৰুদ্ধ ভৈলা কিমতে মিলন ॥

পদ —

বাণৰ নন্দিনী উষা পৰমা সুন্দৰী।
একচিত্তে পূজে সদা শঙ্কৰ শঙ্কৰী ॥
নানা দ্ৰব্য দিয়া পূজে দুৰ্গাৰ চৰণ।
অনিৰুদ্ধ স্বামী হৌক মনে কৰি ধ্যান ॥
মনোবাঞ্ছা পূৰ্ণ কৰা আই ভগৱতী।
দুখিনীক দান দিয়া অনিৰুদ্ধ পতি ॥
কৃপা কৰা মহামায়া চৰণে ধৰিছোঁ।
তুমি এৰিলেও মই তোমাক নেৰিছোঁ ॥
এই বাঞ্ছা যদি আই নকৰা পূৰণ।
নিশ্চয় তোমাৰ আগে এজিবো জীৱন ॥

উষাৰ স্তুতিত দেৱী সন্তুষ্ট হইলা।
উষাক প্ৰবোধি দেৱী বচন বুলিলা॥
শুনা শুনা উষা দেৱী চিন্তা এৰা আই।
অনিৰুদ্ধ কোঁৱৰক আনি দিম মই॥

২ নং দিহা—

উষাক প্ৰবোধি আই ভগবতী
অনিৰুদ্ধৰ পুৰে গৈলা॥

পদ—

ৰত্নৰ মন্দিৰে অনিৰুদ্ধ বীৰে
নিদ্ৰাত আছে পৰিয়া।
অনিৰ শিতানে বসি ভগবতী
পাতিলা সপোন মায়া॥
দেখাইলা সপোন অতি মনোৰম
সাজিলন্ত উপবন।
নানা বিধ ফুল তগৰ বকুল
দেখন্ত অতি শোভন॥

৩ নং দিহা—

অ' আই ভৱানী এ,
সাজিলা কুসুম কানন,
অ' আই দেখন্তে অতি শোভন;
নানা বিধ ফুল ফুলি ফুলি আছে
পৰিছে ভোমোৰা গণ॥……আই… ……

পদ—

বসন্ত পুষ্পিত বন গন্ধ মনোহৰ।
মধুপানে মত্ত হৈয়া গুঞ্জৰে ভ্ৰমৰ॥
মাকণ্ড ডালত পৰি কোকিল চৰাই।
কুঁহু কুঁহু কৰিয়া পঞ্চম সুৰে গায়॥
কেতেকী ধৰিছে সুৰ বৌ কাকা কৌ।
গগনে লাগিছে গৈয়া সঙ্গীতৰ ঢৌ॥
ইন্দ্ৰৰ ফুলনি জিনি শোভিছে কানন।
তাৰ মাজে এক গৃহ অপূৰ্ব্ব নিৰ্ম্মাণ॥
গৃহৰ মধ্যত এক শয্যা নিৰুপম।
শয্যাৰ উপৰে তুলি দুগ্ধ ফেন সম॥
ৰক্তজবা ফুলে থৈছে শয্যাক আৱৰি।
শয্যাৰ উপৰে এক পৰমা সুন্দৰী॥

৪ নং *দিহা—*

শুতি আছে কন্যা শয্যাৰ উপৰ।
ভূৱন মোহিনী ৰূপ ঐ দেখিতে সুন্দৰ।

পদ—

মনোহৰ বস্তুগণ যথাত আছিলা।
একত্ৰ কৰিয়া বিধি কন্যাক নিৰ্ম্মিলা॥
নাই হেন ৰূপৱতী কি দিব উপমা।
উৰ্ব্বশী, মেনকা, ৰম্ভা কিম্বা তিলোত্তমা॥

শুতি আছে উষা দেবী নিদ্ৰাই অচেতন।
সপোন পুৰীত দেখে ৰতিৰ নন্দন॥

৫ নং দিহা—

অ' হৰি হায়ৰে হায়—
কন্যাক দেখিয়া অনিল হৈলা বিস্ময়
এ— কোন তুমি ? দিয়া পৰিচয়॥

পদ—

কোন তুমি সুবদনী কিবা তনু নাম।
কি কাৰণে ৰাত্ৰি ঐত লভিছা বিশ্ৰাম॥
কাহাৰ বনিতা তুমি কাহাৰ কুমাৰী।
মানবী নে দেৱকন্যা অথবা অপ্সৰী॥
সুমেৰুৰ শৃঙ্গ জিনি শোভে পয়োধৰ।
পকা বিম্বফল যেন ডুয়োটি অধৰ॥
কি হেতু একাকী আছা কুসুম কাননে।
দেখিয়া তোমাৰ ৰূপ নসহে পৰাণে॥
মদনে দহিছে প্ৰিয়ে দিয়া আলিঙ্গন।
মই অনিৰুদ্ধ কামদেৱৰ নন্দন॥

৬ নং দিহা—

অ' নকৰা সংশয় বালা এ
অ' বালা কৰা পূৰ্ণ কাম;
পিতা কামদেৱ মোৰ অনিৰুদ্ধ নাম॥ নকৰা সংশয়—

পদ —

অনিৰুদ্ধ নাম মোৰ কামদেৱ পিতা।
কৃষ্ণ বলভদ্ৰ মোৰ দুয়োজনে আতা॥
নকৰা সংশয় দিলোঁ সত্য পৰিচয়।
মনোবাঞ্ছা পূৰ্ণ কৰা কৰিছোঁ বিনয়॥
ৰক্ষা কৰা প্ৰাণেশ্বৰী দিয়া আলিঙ্গন।
নতুবা তোমাৰ আগে তেজিবো জীৱন॥

৭ নং দিহা—

অনিৰুদ্ধ বাণী, শুনি উষা দেৱী
অ' মাতিলন্ত ধীৰে ধীৰে॥

পদ —

জগতৰ পতি অগতিৰ গতি
প্ৰভু দেৱ যদুপতি।
শুনিও কুমাৰ সেহিসে কৃষ্ণৰ
যদি তুমি হোৱা নাতি॥
কামদেৱ হেন শহুৰ পাইবো
পাইবো তোমাক পতি।
হেন জানি মই তোমাক ভজাত
নকৰোঁ একো আপত্তি॥

শুনিও মহান এটি নিবেদন
কৰোহোঁ তযু গোচৰে।
বিধি ব্যৱহাৰে বিবাহ কৰিয়া
তুমি মোক আনা ঘৰে ॥

৮ নং দিহা

শুনিয়োক গুণমণি এ
অ' মই কৰোঁ প্ৰণিপাত
মই ধৰোঁ চৰণত— '
মোক ভিক্ষা কৰা তুমি পিতাৰ ওচৰত —এ
শুনিয়োক গুণমণি এ ॥

পদ –

কৰিছোঁ কাতৰ মই ধৰি চৰণত।
মোক ভিক্ষা কৰা তুমি পিতাৰ ওচৰত ॥
শঙ্কৰৰ বৰ পুত্ৰ বাণ নামে খ্যাত।
মহা বলৱন্ত তেওঁ ভুৱন বিখ্যাত ॥
উষা নামে জীউ মই তাহাৰ নন্দিনী ॥
তোমাকেসে চিন্তা কৰোঁ দিবস যামিনী ॥
পিতাৰ গোচৰে গৈয়া কৰা নিবেদন।
উপযুক্ত বৰ পালে দিবো কন্যা দান ॥
হেন জানি তুমি নুবুজিবা অপমান।
এহি বুলি উষা দেৱী ভৈলা অন্তৰ্দ্ধান ॥

অনিৰুদ্ধ কোঁৱৰৰ সপোন ভাঙিলা।
নিদ্ৰা এৰি অনিৰুদ্ধ উঠিয়া বসিলা॥
দৰিদ্ৰ জনৰ যেন হৰাইলেক ধন।
উষাক নেদেখি অনি জুৰিলা ক্ৰন্দন॥

৯ নং দিহা

হাঁয় প্ৰিয়ে উষা দেৱী ঐ
অ প্ৰিয়ে কৈক গৈলা এৰি।
তোমাৰ বিৰহে প্ৰিয়ে মৰোঁ দহি পুৰি॥

পদ—

কৈক গৈলা প্ৰাণাধিকা সুচন্দ্ৰাবদনী।
তোমাৰ সুন্দৰ মুখ দেখিবো কাহানি॥
আৰু কোন কালে প্ৰিয়ে দেখিব তোমাক।
কাহানি পূৰাবা প্ৰিয়ে প্ৰাণৰ তৃষ্ণাক॥

১০ নং দিহা

সোণৰ প্ৰতিমা হায়— তোমাৰ অবিহনে— মোৰ পৰাণত
শান্তি অকণো নাই
অ প্ৰিয়ে শোকে হিয়া ভাগি যায়॥

পদ —

তোমাৰ গাল দুখানি পদুমৰ পাহি যেন
ডালিমৰ কলি যেন ৰঙা।
দেখিব পালো মই ভুগিব নাপালোঁ
বিধাতাই পাতিলে জেওা॥

ভূমিত বাগৰি ঢাকুৰি ঢাকুৰি
ভৈলা অনি অচেতন।
ক্ৰন্দনৰ ধ্বনি অন্তঃপুৰে শুনি
লৰি আহে নাৰীগণ॥

১১ নং দিহা

অনিৰ ক্ৰন্দন শুনি নগৰৰ যত প্ৰাণী
লৰৰা লৰৰি কৰি যায়।
দেখে গৈয়া সৰ্ব্বজন অনিৰুদ্ধ অচেতন
দেখি ৰতি কৰে হায় হায়॥

পদ —

পুত্ৰ কোলে লৈয়া ৰতি কান্দে বিয়াকুল মতি
হায় বিধি কি কাৰ্য্য কৰিলা।
কতো নাৰীগণে আনি ঢালিলা শীতল পানী
পাচে অনি চকু মেলি চাইলা॥
কি ভৈলা তোমৰ আজি কি কাৰণে মধ্য ৰাতি
কান্দি কান্দি হৈলি অচেতন।
অনিৰ মুখক চাই সোধন্ত ৰুক্মিণী আই
লাজে অনি নোবোলে বচন॥
অনিৰুদ্ধে নামাতিলা ৰুক্মিণী কান্দিবে লৈলা
আৰু কান্দে যত নাৰী গণ।
ৰুক্মিণী ক্ৰন্দনে হৰি চাহিলন্ত ধ্যান কৰি
জানিলন্ত সকলো কাৰণ॥

১২ নং খৰ নাম

নাকান্দা নাকান্দা ৰতি এ

বোলে যদুৰায়—

অ সপোন দেখিছে অনি এৰো কোৰা নাই।

পদ —

নাৰয়ণ নিগদতি শুনিও সুন্দৰী।

যি কাৰনে অনিৰুদ্ধ কান্দে পৰি পৰি॥

উষাৰ কাৰনে স্বপ্ন দেখাইলা।

সি কাৰণে অনিৰুদ্ধৰ ইদশা ঘটিলা॥

ময়ো গৈ দেখুৱাম উষাক সপোন।

উষা অনিৰুদ্ধ দুইকো কৰিব মিলন॥

মূঢ কন্তিদাসে ভণে শুনা সৰ্ব্বজন।

গৃহ সুখে থাকি কৰা হৰিৰ কীৰ্ত্তন॥

দ্বিতীয় নাম

১ নং ঘোষা—

এ হৰি এ............নাৰায়ণ ॥

পদ—

শুনা সৰ্ব্বজন স্থিৰ কৰি মন
পাছে যেন কথা ভৈলা।
কৃষ্ণ কথা শুনি যতেক ৰমণী
সবে ঘৰাঘৰি গৈলা ॥
মনে গুণি গাথি দেৱ যদুপতি
উষাৰ মন্দিৰে যায়।
সুবৰ্ণৰ খাটে উষা শুতি আছে
গাৱত চেতনা নাই ॥
শিতানে বসিয়া সপোন দেখাইলা
প্ৰভু দেৱ যদুপতি।
ভুৱনমোহন পুৰুষ ৰতন
দেখিলেক উষা সতী ॥
পুৰুষক দেখি মাতে উষা হাসি
শুনিওক হে মহান।
মিনতি কৰিছোঁ চৰণে ধৰিছোঁ
কৰা মোক আলিঙ্গন ॥

উষাৰ বচন শুনি অনিৰুদ্ধ
বুলিলা কাকুতি বাণী।
পিতৃ আজ্ঞা বিনে মই কোনোমতে
গ্ৰহণ নকৰোঁ পাণি॥
এহি বুলি অনি উষাক প্ৰবোধি
আপোন ভৱনে গৈলা।
চেতন লভিয়া বাণৰ নন্দিনী
শোকে বিয়াকুল ভৈলা॥

২ নং দিহা—

হৰি হৰি বিধি মোৰ এ অ' হৰি দুখৰে কপাল
কিনো নিদাৰুণ বিধি পাতিলা জঞ্জাল এ
হৰি হৰি বিধি মোৰ এ॥

পদ—

নিদ্ৰা ভঙ্গে উষা দেৱী লভিলা চেতন।
অনিৰু নেদেখি সতী জুৰিলা ক্ৰন্দন॥
কৈক গৈলা প্ৰাণনাথ অভাগীক এৰি।
তোমাৰ সন্তাপে স্বামী মৰো দহি পুৰি॥
এহিমতে বিলাপ কৰিয়া উষা সতী।
কান্দিতে লাগিলা দেৱী মধ্যভাগ ৰাতি॥
উষাৰ ক্ৰন্দন শুনি সখী চিত্ৰলেখা।
লৰি আহি উষাৰ আগত দিলা দেখা॥

৩ নং দিহা—

ঐ এ নাকান্দা নাকান্দা সখী কোৱা সত্য কথা।
তোমাৰ ক্ৰন্দনে সখী মযো পাওঁ ব্যথা ॥

পদ—

সত্য কথা কোৱা সখী কান্দিব নেলাগে।
কিবা বস্তুৰ অভিলাষ কোৱা মোৰ আগে ॥
প্ৰাণৰ সমান মই সখী চিত্ৰলেখা।
কি হেতু কান্দিছা তুমি কোৱা প্ৰাণ সখী ॥

৪ নং দিহা—

শুনা শুনা সখী মই যি কাৰণে কৰি আছো শোক—
অনিৰুদ্ধ কোঁৱৰক আনি দিয়া মোক ॥

পদ

কি কহিম [illegible] সখী মনৰ হুতাশ।
নকলেও প্ৰাণ যাব হ'ব সৰ্বনাশ ॥
তথাপি তোমাৰ আগে কওঁ প্ৰাণ সখী।
অনিৰুদ্ধ কোঁৱৰক সপোনত দেখি ॥
সপোনত দেখি মোৰ আৰাধ্য দেৱতা।
স্বামীৰ কাৰণে সখী হৈছো ধৈৰ্য্যচ্যুতা ॥
জানো সখী তুমি মোৰ প্ৰাণৰ সমান।
স্বামী আনি দিয়া মোৰ ৰক্ষা কৰা প্ৰাণ ॥

৫ নং দিহা—

সখী অ' অ' অ'—

অন্তরে দেখিবা স্বামীৰ মুখ।

পদ—

মোচা সখী চকু নীৰ মই যাওঁ দ্বাৰকাপুৰী

সখী অ' ..... ছলে বলে হৰিম অনিৰুদ্ধ।

বিদায় দিয়া সখী মোক মনে নকৰিবা শোক

সখী অ' ... দিয়া তুমি মনক প্ৰবোধ ॥

৬ নং দিহা—

সখীৰ বচনে দেবী চিত্ৰলেখী

চলিলা দ্বাৰকাপুৰী।

চন্দন কাঠৰে দোলা সাজি লৈলা

আৰু দুই সহচৰী।

পদ—

সমান বয়সী তিনিজনী সখী

গৈলা মধ্য ভাগ ৰাতি।

বিচিত্ৰ শয্যাত নিদ্ৰাৰ কোলাত

আছে অনিৰুদ্ধ শুতি ॥

তিনিও নিমাতে তুলিলা দোলাত

অনিৰুদ্ধ নাজানিলা।

দোলা দাণ্ডি ধৰি তিনি সহচৰী

উষাৰ মন্দিৰে গৈলা ॥

উষা-মন্দিৰত অনিক থৈলন্ত
তিনি জনী সহচৰী।
নয়ন মেলিয়া পাছে অনিৰুদ্ধ
দেখিলা সুৱৰ্ণ পুৰী॥
দেখে সিঠাইত নাই পিতা-মাতা
নাই প্ৰিয় বন্ধুজন।
কোৱা হে সুন্দৰী ইটো কাৰ পুৰী
মই ঐত কি কাৰণ॥

৭ নং দিহা—

কহিও সুন্দৰীগণ এ
অ' ইটো কাহাৰ ভৱন,
কি কাৰণে মোহোক আনিলা এহি স্থান এ
কহিও সুন্দৰীগণ এ॥

পদ —

কোৱাহে সুন্দৰীগণ স্বৰূপ বচন।
কি কাৰণে মোহোক আনিলা এহি স্থান॥
ইহেন সুন্দৰ পুৰী দেখি লাগে ভয়।
শীঘ্ৰ কৰি লোৱা মোক আপোন আলয়॥
হেন শুনি চিত্ৰলেখী বুলিলা বচন।
এই স্বৰ্ণ পুৰী জানা উষাৰ ভৱন॥
যাহাৰ কাৰনে চিন্তা কৰা দিন ৰাতি।
আজি পাবা ৰসময়ী সেই উষা সতী॥

উষা নাম শুনি চিত্ৰলেখাৰ মুখত।
তেতি ক্ষণে অনিৰুদ্ধ ভৈলন্ত নিমাত॥
শুনা শুনা অনুক্ষৰে যেন কথা ভৈলা।
অনিক এৰিয়া চিত্ৰ উষাক জগাইলা॥

৮নং দিহা

উঠা উঠা প্ৰাণ সখী ঐ নিদ্ৰা পৰিহৰি
সখী চোৱা চকু মেলি —
তোমাৰ সম্মুখে সখী ঐ আছে চন্দ্ৰ জ্বলি।

পদ দিহা—

নিদ্ৰা এৰি সখী তুমি মেলিও নয়ন।
তোমাৰ সম্মুখে আছে মদন নন্দন॥
বসি আছে অনিৰুদ্ধ তব বিদ্যমান।
মধুৰ বচনে সখী কৰা সম্বোধন॥
সখীৰ বচনে উষাই মেলিলা নয়ন।
দেখি অনিৰুদ্ধ ৰূপ মুগ্ধ ভৈলা প্ৰাণ॥
লজ্জা এৰি উষাদেবী বুলিলা বচন।
তোমাৰ ৰূপত স্বামী ভৈলো বিমোহন॥
প্ৰণাম কৰিয়া বোলে তুমি মোৰ পতি।
কৰা আলিঙ্গন নাথ হিয়াত সাৱটি॥
সপোন পুৰীত নাথ তোমাক দেখিলোঁ।
সখী অনুগ্ৰহে আজি দিঠকতে পালোঁ॥

৯ নং দিহা

মই সপোন পুৰাতি দেখিছিলোঁ।
তোমাক প্ৰিয় বাৰে বাৰে
হিয়াৰ মাজে ॥

পদ —

তোমাক নেদেখিলে থাকিব নোৱাৰোঁ।
বান্ধি লোৱা প্ৰাণ স্বামী
হিয়াৰ মাজে ॥
কোমল হিয়াখনি ৰাখিছোঁ মুকলি
সজোৱা হে গুণমণি
প্ৰেমৰ সাজে ॥

১০ নং দিহা

ক্ষমা কৰা উষা মোক এ
উষা তুমি কুলৰ কামিনী
তুমি ৰজাৰ নান্দনী
কি কাৰণে এনে কথা কোৱা জানি শুনি
ক্ষমা কৰা উষা মোক এ — ॥

পদ —

অনিৰুদ্ধে বোলে উষা শুনা মোৰ বাণী।
ৰজাৰ নন্দিনী তুমি কুলৰ কামিনী ॥
ইতৰ ৰমণী তুমি নোহোৱা সুন্দৰী।
কি কাৰনে পাপে মজি হোৱা ব্যভিচাৰী ॥

নিজ ধৰ্ম্ম ৰাখা তুমি শুনিও বচন।
ইহেন অধৰ্ম্ম কাজে নেমেলিবা মন॥
পৰ নাৰী স্পৰ্শে পাপ তুমি কি নাজানা।
পৰ নাৰী হৰিবাক শাস্ত্রে দিছে মানা॥
যিবা জনে পৰ নাৰী কৰয় হৰণ।
অতি অল্প কালে তাৰ মিলয় মৰণ॥
সপ্ত পুৰুষক নিয়ে নৰক ভিতৰে।
কোন কালে লক্ষ্মী তাৰ নাথাকয় ঘৰে॥
হেন জানি উষা তুমি ক্ষমা কৰা মোক।
দেখি নতু হাসিবেক দ্বাৰকাৰ লোক॥

১১ নং দিহা

নকৰা নিৰাশ স্বামী নকৰা নিৰাশ॥

পদ —

বিনয় কৰিয়া উষা বুলিলা বচন।
তুমি মোৰ প্ৰাণ স্বামী হৃদয় ৰঞ্জন॥
অমূলক ভয় কিয় কৰা প্ৰাণেশ্বৰ।
কৰিও গন্ধৰ্ব্ব বিয়া নাভাবা অন্তৰ॥
তুমি শিৰোমণি কোনে কি কৰিতে পাৰে।
আছয় যথেষ্ট বল তোমাৰ শৰীৰে॥
হেন শুনি অনিৰুদ্ধ আনন্দিত মন।
গন্ধৰ্ব্ব প্ৰথাতে উষাই দিলা মাল্য দান॥

১২ নং খৰ নাম —

আজি ফাগুনৰ জোনালী ৰাতি —
উষাৰ সঙ্গে অনি কৰে পীৰিতি ॥

পদ —

গন্ধৰ্ব্ব বিয়া কৰি সমাপন।
হৈভেলা দুয়ো জনে প্ৰেমত মগন ॥
নৱ যৌৱনৰ নতুন প্ৰেমত।
ভুঞ্জিলন্ত ৰতি অতি উলাহত ॥
শুনা সৰ্ব্বজন স্থিৰ কৰি মন।
গুপ্ত প্ৰণয়ৰ পদ অমৃত সমান ॥
কৃষ্ণৰ কিঙ্কৰ মূঢ় কান্তি দাস।
হৰি বুলি কৰা পাতক বিনাশ ॥

তৃতীয় অঙ্ক

১ নং ঘোষা —

অনিৰুদ্ধ সঙ্গে উষা মহাৰঙ্গে
আছয় শোণিত পুৰী।
নগৰৰ লোক কেৰে নাজানিলা
জানে মাত্র সহচৰী ॥

পদ —

এহি মতে উষা দেৱী মনত আনন্দে।
ভক্তি ভাৱে স্বামীৰ চৰণে পৰি বন্দে ॥
নয়ন চকুৰে অনি উষাক চাহন্ত।
এহি মতে দিনে দিনে প্ৰীতি বাঢ়িলন্ত ॥
গুপ্ত ভাৱে দুয়োজনে থাকে অন্তঃপুৰে।
চিত্রলেখা সখী ইৰো আলপৈচান ধৰে ॥
এক দিনা দুৱৰী দেখিলা অকস্মাৎ।
পাছে গৈয়া জান দিলা ৰজাৰ আগত ॥
শুনিওক মহাৰাজ বিক্রম সাগৰ।
অধর্ম্মে মজিলা ৰজা কন্যা আপোনাৰ ॥
সর্ব্ব সুলক্ষণা উষা মনে আছোঁ মানি।
পুৰুষ সহিতে থাকে দিবস যামিনী ॥

যদি মহাৰাজ মোক কৰে অবিশ্বাস।
আপুনি দেখিয়া ৰজা কৰিও বিশ্বাস॥
দ্বাৰীৰ মুখত শুনি ই হেন বচন।
কন্যাক দেখিতে ৰজা কৰিলা গমন॥

২ নং দিহা

অ হৰি হায়ৰে হায় —
দুৱৰীৰ সঙ্গে ৰজা ধীৰে ধীৰে যায়॥

পদ —

ইসব বচন শুনি পাছে ৰজা মনে গুনি
দুৱৰীৰ সঙ্গে চলি গৈলা।
দেখিলা উষাৰ পাছে অনিৰুদ্ধ সঙ্গে আছে
দেখি ৰজা ক্ৰোধত জ্বলিলা॥
হাতে ধনুৰ্ব্বাণ ধৰি ৰথৰ উপৰে চৰি
মহা ক্ৰোধে বোলে নৰপতি।
হেৰ হেৰ দুৰাচাৰ যদি শক্তি আছে তোৰ
যুদ্ধ কৰ তোমাৰ সহিত॥

৩ নং দিহা

অ পাপী আত্ম ৰক্ষা কৰ।
অ পাপী দেখো তই কিমান শক্তিধৰ —
আজিৰ সংগ্ৰামে তোক পঠাম যমৰ ঘৰ —
পাপী আত্ম ৰক্ষা কৰ॥

পদ —

শুন হেৰ নৰাধম পাপী কুলাঙ্গাৰ।
মোৰ ঘৰে কৰ তই অত অত্যাচাৰ ॥
বাঘ নমৰোতে তই নিব খোজ ছাল।
ইমান সাহস তই কৰিছ চণ্ডাল।
এহি বুলি নৰপতি ধৰি ধনুৰবাণ।
মহা কোপ মনে ৰজা পুৰিলা সন্ধান ॥

৪ নং দিহা

ধনু শৰ হাতে লৈ বীৰ অনিৰুদ্ধ।
শত্ৰুৰৰ সঙ্গে আৰম্ভিলা মহাযুদ্ধ ॥

পদ —

দুয়ো জনে মহা যুদ্ধ আৰম্ভ কৰিলা।
বাণ স্ৰোতে দশোদিশ অন্ধকাৰ ভৈলা ॥
বাণ অনিৰুদ্ধ কাৰো নাহি ভঙ্গ-জয়।
দেবগণে বোলে আজি মিলিল প্ৰলয় ॥
এহি মতে বহুকাল কৰিলেক যুদ্ধ।
ৰণশ্ৰমে ক্লান্ত ভৈলা বীৰ অনিৰুদ্ধ ॥
হেন দেখি বাণ ৰজাৰ প্ৰফুল্লিত মন
নাগ পাশে কৰিলেক অনিক বন্ধন ॥
অন্ধ কাৰাগৃহে নিয়া অনিক ৰাখিলা।
উষাৰ মনত এবে বৰ দুখ ভৈলা ॥

আউল জাউল কেশে দিলেক লৰৰ।
পিতৃৰ চৰণে ধৰি হৈলন্ত কাতৰ॥

৫ নং দিহা

কান্দে উষা বাণৰ নন্দিনী এ   পিতৃৰ চৰনে ধৰি
কান্দে উষা ভূমিত বাগৰি পৰি।

পদ –

পিতৃৰ চৰণে ধৰি কান্দে উষা সতী।
জন্ম দাতা পিতা তুমি মোৰ গতি মতি॥
নাজানি কৰিছোঁ দোষ মই অভাগিনী।
দোষ কৰিলেও পিতা তোমাৰ নান্দনী॥
বিচাৰে পণ্ডিত তুমি ধৰ্ম্ম নৰপাত।
মোৰ স্বামী জানা পিতা জোঁৱাই তোমাৰ।
স্বামী বধি পিতা মোক বিধবা নকৰা।
তেওঁৰ সলনি পিতা মোকে হত্যা কৰা।
স্বামীক বধিলে পিতা হম যে বিধবা।
জীৱনত পিতা তুমি কিনো শান্তি পাবা॥
মুক্তি দিয়া পিতা মোৰ স্বামী দেৱতাক।
হেন শুনি বাণ ৰজাই বুলিলেক বাক॥

৬ নং দিহা

হেৰ পাগলী ছোৱালী
কিনো কৰিলি তই॥

পদ—

ছিঃ ছিঃ পাগলী তই কি কৰিলি
কিয় নুশুধিলি মোক ?
পবিত্ৰ বংশতে কলঙ্ক সানিলি
দিলি নিদাৰুণ শোক ॥
কৈলাশ শিখৰে শঙ্কৰ শঙ্কৰী
আছে পিতা মাতা মোৰ।
আমি জী থাকোতে এনে কাম কৰ
লাজো নালাগিল তোৰ ॥
শুন কলঙ্কিনী মোহোৰ নন্দিনী
সেয়ে ক্ষমা দিলো তোক।
কিন্তু যে অনিক ক্ষমা নকৰিবো
লোকে নিন্দিবেক মোক ॥
পিতৃ মুখে হেন শুনিয়া বচন
মনত গুণিলা উষা।
মুল মুৰ কৰি চলিলা সুন্দৰী
যৈত আছে চিত্ৰলেখা ॥

৭ নং দিহা

সখীৰ চৰনে ধৰি বিনাৱে উষা দেবী ঐ
অ সখী তুমি মোৰ। প্ৰাৰকাক।
অন্ধ কাৰাগাৰে স্বামীক ৰাখিছে ঐ
অ সখী মাতি আনা শ্ৰীকৃষ্ণক ॥

পদ—

সখীৰ চৰণে ধৰি বুলিলেক উষা।
জীৱনে মৰণে মোৰ তোমাতে ভৰষা॥
যি কালত মদনে দহিলে মোৰ প্ৰাণ।
স্বামী আনি দিলা সখী ৰাখিলা জীৱন॥
সেই স্বামী আজি কাৰাগৃহৰ মধ্যত।
তেওঁৰ বিৰহে অগ্নি জ্বলিছে প্ৰাণত॥
দ্বাৰকাক যোৱা সখী কহিবা কৃষ্ণত।
কৰিছোঁ মিনতি মই ধৰি চৰণত॥
চিত্ৰলেখী বোলে সখী শুনা মোৰ বাণী।
শূন্যে থাকি সকলো দেখিছে চক্ৰপাণি॥
অন্তৰ্য্যামী ভগৱান প্ৰভু যদুমণি।
নাতিৰ দুৰ্দ্দশা দেখি আহিব আপুনি॥

৮ নং দিহা--

অ' উষাই কান্দে এ অ' চিত্ৰলেখাৰ মন্দিৰে
মন দুঃখে অপমানে বিষ্ণুক সুমৰি উষাই কান্দে ঐ

পদ—

কান্দিতে লাগিলা উষাই বিষ্ণুক সুমৰি।
ৰক্ষা কৰা প্ৰভু মোক দেৱ শ্ৰীহৰি॥
পিতৃ মোৰ প্ৰাণ-বৈৰী পৰম দুৰ্জ্জন।
বাহু বলে দেৱতাক কৰিছে বন্ধন॥

সংগ্ৰামে পণ্ডিত তুমি বিষ্ণু অৱতাৰ।
যুদ্ধ কৰি দেৱতাক কৰিও উদ্ধাৰ॥
নমো নমো নাৰায়ণ অগতিৰ গতি।
নিজ গুণে উদ্ধাৰ কৰিও নিজ নাতি॥

৯ নং দিহা--

নমো নমো নাৰায়ণ
শ্ৰীমধুসূদন শ্ৰীমধুসূদন॥
শ্যামল সুন্দৰ কানু পীতবস্ত্ৰে শোভে তনু
শঙ্খ-চক্ৰ-গদা-পদ্ম কৰিছা ধাৰণ-- নমো নাৰায়ণ।
তুমি দেৱ শ্ৰীহৰি মই হীনমতি নাৰী
কি দিয়া পূজিব প্ৰভু তোমাৰ চৰণ — নমো নাৰায়ণ॥
কৃপা কৰা নাৰায়ণ দিয়া মোক স্বামী দান
সঙ্কট সময়ে মোক কৰা পৰিত্ৰাণ—নমো নাৰায়ণ।
হেন কালে চিত্ৰলেখী সখীক বুলিলা আসি
সৌ চোৱা ৰণ-সাজে আহে নাৰায়ণ —নকৰা ক্ৰন্দন॥

১০ নং খৰ নাম—

আহিছে সুন্দৰ কানাই এ
ত' সখী মিলিব মহাসমৰ।
কৈলাশ এৰিয়া আজি আহিব শঙ্কৰ॥

পদ—

কৈলাশৰ পৰা আজি আহিব শঙ্কৰ।
মিলিব দুৰ্ঘোৰ যুদ্ধ কৃষ্ণ মহেশৰ॥

পৃথিবীৰ শ্ৰেষ্ঠ যুদ্ধ নামে হৰি-হৰ।
সেই যুদ্ধ হব আজি সম্মুখে তোমাৰ॥
উঠা উঠা সখী আমি যাওঁ অন্তঃপুৰ।
যুদ্ধৰ প্ৰকোপ দেখি ঘূৰিবেক মূৰ॥
শুনা আত্ৰ অনন্তৰে যেন কথা ভৈলা।
উষা চিত্ৰলেখা দুয়ো অন্তঃপুৰে গৈলা॥
মূঢ় কন্তিদাসে ভণে ভাষা নোহে শুদ্ধ।
পিচৰ আধ্যাত শুনা হৰি-হৰ যুদ্ধ॥
দিয়া পদধূলি মোক লম শিৰ পাতি।
বোলা হৰি হৰি সবে খণ্ডোক দুৰ্গতি॥

চতুৰ্থ অাম

১ নং ঘোষা—

অন্ধ কাৰাগৃহে আছে বীৰ অনিৰুদ্ধ।
এক চিত্তে শুনা সবে কৰি-হৰ যুদ্ধ॥

পদ -

অনিৰুদ্ধ বন্দী দেখি দেৱ নাৰায়ণ।
বিষাদিত হুয়া প্ৰভু ভাবে মনে মন॥
মহেশ্বৰ বৰ পুত্ৰ বাণ নৰপতি।
অহঙ্কাৰে বন্দী কৰি থৈছে মোৰ নাতি॥
ৰণ সাজে যদি যাওঁ শোণিত নগৰ।
হাতত ত্ৰিশূল ধৰি আহিব শঙ্কৰ॥
কৰিব লাগিব ৰণ শঙ্কৰৰ সঙ্গে।
কিমতে হানিম শৰ মহেশ্বৰ অঙ্গে॥
ব্ৰহ্মা ৰূপে সৃজোঁ, পালোঁ বিষ্ণু ধৰি।
ৰুদ্ৰ ৰূপে মই সবাকো সংহাৰি॥
মই ব্ৰহ্মা মই বিষ্ণু মই মহেশ্বৰ।
মোৰ ভিতৰতে আজি লাগে অথন্তৰ॥
যি হৌক সি হৌক মই কৰিবহো ৰণ।
উদ্ধাৰি আনিম নাতি এয়ে দৃঢ় পণ॥

পূৰ্ব্বৰ লিখন কোনে পাৰে খণ্ডাইবাক ।
এই বুলি গৈলা হৰি গৰুড় পাশক ॥
কোপমনা শ্ৰীহৰিক গৰুডে দেখিয়া ।
বোলন্ত কাতৰ বাণী চৰণে ধৰিয়া ॥
আজি কি কাৰণে প্ৰভু মনত বিষাদ ।
অধমে কৰিলোঁ প্ৰভু কিবা অপৰাধ ॥
যদি কিবা অপৰাধ কৰিছোঁ নাজানি ।
নিজগুণে ক্ষমা কৰা হেৰা চক্ৰপাণি ॥

২ নং দিহা—

পক্ষীৰ বচন শুনি নাৰায়ণ
বুলিলা আশ্বাস বাণী ॥

পদ

শুনা গাচাধন বিনতা নন্দন
তোমাৰ নাহিকে দোষ ।
বলীৰ কুমাৰ বাণ দুৰাচাৰ
তাহাৰ কাৰণে ৰোষ ॥
বাণৰ কুমাৰী উষা যে সুন্দৰী
স্বেচ্ছাই ভজিলে পতি ।
নাগ পাশ বাণে কিয় অকাৰণে
বান্ধি ৰাখে মোৰ নাতি ॥

আমাক লইয়া শোণিত নগৰে
চলা বাচা এতিক্ষণ ।
এহি বুলি হৰি গৰুড়ৰ পৃষ্ঠে
কৰিলেক অৰোহণ ॥

৩ নং *দিহা*—

গৰুড়ৰ কান্ধে উঠি নাৰায়ণ অ'—
শোণিত নগৰে কৰে গমন ॥

পদ—

কৃষ্ণৰ বচন শুনি বিনতা নন্দন ।
প্ৰভুক পিঠিত তুলি কৰিলা গমন্ ॥
বায়ু বেগে পাইলা গৈয়া শোণিত নগৰ ।
নগৰ জুৰিয়া আছে অগনিৰ গড় ॥

৪ নং *দিহা*—

গৰুড়ৰ স্কন্ধে গৈলা নাৰয়ণ ।
ৰথে চৰি গৈলা যত সৈন্যগণ ॥

পদ—

গৰুড়ৰ স্কন্ধে গৈলা নাৰায়ণ ।
হস্তী ঘোৰা ৰথে গৈলা সৈন্যগণ ॥
গড়ৰ ওচৰে সবে গৈয়া ৰৈলা ।
অগ্নি ৰশ্মি লাগি অগ্নি বৰ্ণ ভৈলা ॥
দেখি সৈন্যগণে কৃষ্ণক বুলিলা ।
অগ্নি ৰশ্মি লাগি শৰীৰ দহিলা ॥

কৃষ্ণ নিগাদতি নিনত্তা নন্দন।
পানী ঢালি কৰা অগ্নি নিৱাৰণ॥
শুনি পক্ষীৰাজে ওপৰক গৈলা।
মন্দাকিনী জলে অগ্নি নুমাইলা॥

৫ নং দিহা--

অ' নুমাইলা অগনি গড় এ
অ' হৰি প্ৰবেশিলা সবে সৈন্যগণ।
অ' নগৰৰ লোকে দেখি কৰে পলায়ন—এ
নুমাইলা অগনি গড়॥

পদ—

অগ্নি গড় নুমাইলা মন্দাকিনী জলে।
পুৰীত প্ৰবেশে সৈন্যগণ দলে বলে॥
দেখি নগৰৰ লোকে কৰে পলায়ন।
ৰজাৰ আগত গৈয়া কৰে নিবেদন॥
কৰবাৰ সৈন্য আসে কৰিবাক ৰণ।
তাৰ মাজে এক পক্ষী পৰ্ব্বত সমান॥
পক্ষীৰ পিঠিত চৰি আছে তিনি বীৰ।
শ্যামল সুন্দৰ একজনৰ শৰীৰ॥
এক বীৰ দেখি যেন কৈলাশ পৰ্ব্বত।
নাঙল "মুষল" গদা ধৰিয়া হাতত॥
আৰু এক বীৰ ৰূপে অশ্বিনীকুমাৰ।
পৃষ্ঠে তূণ আছে হাতে ধনুৰ্ব্বাণ তাৰ॥

দূতৰ বচন সব শুনি দৈত্যপতি।
মনত ভাবয় যুদ্ধ মিলিল সম্প্ৰতি॥
নাতিৰ শুনিয়া কথা আছে নাৰায়ণ।
বলভদ্ৰ আছে আৰু মকৰকেতন॥
আন পক্ষী নোহে সিটো গৰুড় আছিলা।
এহি ভাবি নৰপতি জ্বৰাক মাতিলা॥
শুনা শুনা জ্বৰাসুৰ লোৱা সৈন্যগণ।
গোবিন্দৰ সঙ্গে গৈয়া তুমি কৰা ৰণ॥

৬ নং *দিহা* —

যুজলৈ যাওঁ মই
আজ্ঞা দিয়া মোক হে মহাৰাজ!
ভস্ম জাপি দিয়া শত্ৰুক বধিবো
সাধিবো তোমাৰ কাজ॥

পদ —

ৰজাক নমিয়া চলে জ্বৰাসুৰ
দুয়ো হাতে ভস্ম লৈয়া।
ৰণ-প্ৰাঙ্গণত ভৈলা উপস্থিত
খণ্ডে ৰুদ্ৰ মূৰ্ত্তি হুয়া॥
শত্ৰুৰ গৰ্জ্জন শুনি বলভদ্ৰে
নাঙল লৈলেক তুলি।
দেখি জ্বৰাসুৰে ভস্ম নিক্ষেপিলা
বলভদ্ৰ গৈলা ঢলি॥

হেন দেখি পাছে প্ৰভু নাৰায়ণে
মনত কৰিলা স্থিৰ।
মই যুজোঁ বুলি আগবাঢ়ি গৈলা
চক্ৰ প্ৰহাৰিলা বীৰ॥
কৃষ্ণৰ চক্ৰক কটাক্ষ নকৰি
কোপমনে ভস্ম পাণি।
কৃষ্ণৰ মূৰত ভস্ম নিক্ষেপিলা
বামখন হাতে আনি॥
ভস্মৰ প্ৰহাৰে সৰ্ব্ব গাৰ পোৰে
ক্লান্ত হৈলা দামোদৰ।
গৰুড় সহিতে ভূমিত পৰিলা
উঠিল ভীষণ জ্বৰ॥

৭ নং *দিহা*—

জ্বৰৰ প্ৰতাপে প্ৰভু নাৰায়ণ
অ' ভূমিত পৰিলা ঢলি॥

পদ—

মনুষ্যৰ লীলা দেখাই দামোদৰে
খন্তেক থাকিলা পৰি।
শৰীৰৰ পৰা বিষ্ণু তেজী জ্বৰা
ওলাইলেক শীঘ্ৰ কৰি॥

দুয়ো জৰাসুৰে সংগ্ৰাম কৰিলা
সৈন্যগণে আছে চাই।
বাণৰ জৰাক হাতে গলে বান্ধি
আনিলা বিষ্ণু জৰায় ॥
বিষ্ণুক চিনিয়া পাছে জৰাসুৰে
বোলন্ত কৰি কাতৰ।
মকৰোঁ সংগ্ৰাম প্ৰতিজ্ঞা কৰিলোঁ
মই যাম দেশান্তৰ ॥
কৃষ্ণক নমিয়া পাছে জৰাসুৰে
দূৰ দেশান্তৰে গৈলা।
দূতৰ মুখত ইসব কাহিনী
নৃপতি বাণে শুনিলা ॥
দূতৰ বচন শুনিয়া ৰাজন
কৰিলা ৰণে গমন।
কৃষ্ণক দেখিয়া বোলে মন্দবাণী
শুনে দেৱ নাৰায়ণ ॥

৮ নং দিহা—

হেৰ হেৰ যদুপতি মহামূৰ্খ মন্দমতি
কি কৰিলি হেৰ তিবিচোৰ!
সামান্য শিয়াল হৈ সিংহৰ লগত ভাই
কিয় আহি মাৰিলি কামোৰ॥

—৩

পদ—

আছিলি দ্বাৰকাপুৰী হৰিলি গোপৰ নাৰী
ৰাধাকো কলঙ্ক দিলি তই।
তই যেনে তিৰিচোৰ নাতিও তেনুৱা তোৰ
উষা হৰে নমৰোতে মই॥
শুনি নৃপতিৰ বাণী হাসি বোলে যদুমণি
দুষ্ট মই জানে সৰ্ব্বজনে।
বিচাৰ কৰিযা দেখা যদি সতী শান্তি উষা
অনিক বৰিলা কি কাৰণে॥
মূৰুখ দানব জাতি নাজানা শাস্ত্ৰৰ নীতি
দোষ-গুণ নকৰা বিচাৰ।
অন্যায় সমৰে ঘোৰ বান্ধিছা নাতিক মোৰ
প্ৰতিফল পাবি আজি তাৰ॥

১ নং *দিহা-*

অ' হৰি হাযৰে হায - অ' দেখা কেনে দৈৱৰ গতি
ঈশ্বৰৰ সঙ্গে যুজে বাণ মূঢ়মতি॥

পদ —

এহিমতে গালাগালি কৰি দুয়োজন।
ক্ৰোধানলে জ্বলিলেক অগনি সমান॥
তাৰ পাছে দুয়োজনে আৰম্ভিলা ৰণ।
দুয়োৰো সমৰ দেখি কম্পে দেৱগণ॥

বাণে-নাৰায়ণে যুজে লৰে বসুমতি।
ভূমিত বাগৰি দুয়ো কৰে লুটালটি ॥
সহস্ৰ হাতেৰে যুজে বাণ নৰপতি।
দুই হাতে যুদ্ধ কৰে দেৱ যদুপতি ॥
শ্ৰান্ত ভৈলা বাণৰাজ যুজিতে নাপাৰে।
ৰাখিও শঙ্কৰ বুলি আৰ্ত্তনাদ কৰে ॥
ভক্তৰ কাতৰ বাণী শুনিয়া ঈশান।
হাতে শূল ধৰি আহে কৰিবাক ৰণ ॥

১০ নং দিহা—

অ' নকৰিবা ভয় বাচা এ
অ' বাচা আছোঁ মই তোমাৰ সহায়।
অ' শুন কৃষ্ণ আজি তোৰ নহব নিস্তাৰ।
মোহোৰ পুত্ৰক কৰা হেন অত্যাচাৰ ॥

পদ—

বাণক আশ্বাসি পাছে দেৱ শূলপাণি।
শ্ৰীকৃষ্ণক চাই কিছু বোলে মন্দবাণী ॥
উষাক হৰিলে হেৰ তোৰ দুষ্ট নাতি।
সি হেতু বান্ধিছে তাক বাণ নৰপতি ॥
তাত যুদ্ধ কৰিবাক আহিছ নিলাজ।
মেখেলা চোৰৰ তোৰ নাই লাজ-কাজ ॥
ষোড়শ হাজাৰ গোপী কৰিলি হৰণ।
ৰাধা-ৰুক্মিণীক হৰি বাঢ়ি গৈছে মন ॥

ইবাৰ পৰিছ তই ব্যাধৰ হাতত।
পুৰি কুঁহিয়াৰ কলি ভালুকৰ গাঁতত॥
শঙ্কৰৰ কথা শুনি দেৱ নাৰায়ণ।
মিচিকিয়া হাঁহি মাৰি বুলিলা বচন॥

১১ নং দিহা—

শঙ্কৰৰ বাণী শুনি চক্ৰপাণি
হাসিলন্ত মিচিকাই।
পৰৰ ঘৰে ঘৰে ভিক্ষা কৰি ফুৰা
ভাঙৰ গুৰাসোপা খায়॥

পদ —

ভঙুৱা শঙ্কৰ বুলি ত্ৰিজগতে কয়।
ঢলং-ঢপং কৰি ফুৰা দেহাৰ ঠিক নাই॥
ৰাতি উপজিলা তুমি জাতি কুল নাই।
অজাতি শঙ্কৰ বুলি জগতে হাসয়॥
কাৰ পুত্ৰ তুমি তাৰ নাই সমিধান।
ভূত হুয়া সন্মান বিচাৰা কি কাৰণ॥
দক্ষে কৰিলেক যজ্ঞ লোক বিদ্যমানে।
নামাতিলে তোমাক কাপালিক কাৰণে॥
দক্ষৰ নন্দিনী পাছে জানি সেই কথা।
আত্ম হত্যা কৰিলেক পাই মনোব্যথা॥
পৰম কামুক তুমি ত্ৰিভুবনে জানি।
কামবশে হৰিলাহা মুনিৰ ৰমণী॥

ঘাটে-পথে বিন্দু পৰে ধৰা বিৰিখত।
বাঘ ছাল খহি পৰে গাৰ নাই তত॥
গৰুক পূজয় লোকে গো-লক্ষ্মী বুলিয়া।
অধ্যাপক হুয়া ফুৰা গৰুত উঠিয়া॥

১২ নং *দিহা—*

অ' বাপু শঙ্কৰ মূৰ্ত্তি ভয়ঙ্কৰ
দেখিলে হাঁহি উঠে মোৰ (বাপু শঙ্কৰ)
বাঘৰ ছালে ককাল নাটে হোপাত চিলিম ফাটে
আৰু তুমি নিন্দা কৰা মোক।
বাণৰ সহায় হুয়া মৰিবাক আইলা কিয়
আজিলৈকে নিচিনিলা মোক॥
এক হাজাৰ বাহু যাৰ তাকো মই তিনিবাৰ
ৰণত কৰিলোঁ পৰাজয়।
দুই হাতে শূল ধৰি মোৰ সঙ্গে যুদ্ধ কৰি
আজি নিশ্চে যাবা যমালয়॥

১৩ নং *দিহা—*

হাতত ত্ৰিশূল ধৰি দেৱতা ঈশান।
শ্ৰীকৃষ্ণৰ সঙ্গে আৰম্ভিলা মহাৰণ॥

পদ—

কপালৰ চকু জ্বলে অগনি সমান।
চক্ৰে নিবাৰিলা তাক দেৱ নাৰায়ণ॥

শঙ্কৰে ধনুত যুৰিলেক অগ্নিবাণ।
বৰুণ শৰেৰে হৰি কৰে নিবাৰণ॥
লক্ষ লক্ষ সেনা মৰে মৰে কতো বীৰ।
তীক্ষ্ণ স্ৰোতে নদী বয় সৈন্যৰ ৰুধিৰ॥
তেজৰ নদীত কতো উটি ভাহি যায়।
তাক দেখি কতো সেনা ভয়তে পলায়॥
আকাশত দেৱগণে হাহাকাৰ কৰে
হৰি-হৰে যুদ্ধ কৰি সৃষ্টি ধ্বংস কৰে॥
দেৱগণ সঙ্গে লৈয়া আহে প্ৰজাপতি।
দুয়োৰো চৰণে ধৰি আৰম্ভিলা স্তুতি॥

১৪ নং দিহা—

নমো জগন্নাথ নমো ভূতনাথ।

পদ—

নমো নমো লক্ষ্মীপতি নমো উমাপতি।
ক্ৰোধ সম্বৰা কৰ কাৰচৌ মিনতি॥
শুনা প্ৰভু নাৰায়ণ শুন দিগম্বৰ।
হৰি—হৰ দুয়োজনে একে কলেবৰ॥
ব্ৰহ্মাৰ বচনে হাৰ মেলিলা নয়ন।
ভালমতে কৃষ্ণক কৰন্ত নিৰীক্ষণ॥
কৃষ্ণৰ শৰীৰে দেখে ব্ৰহ্মা মহেশ্বৰ।
আকাশ পাতাল দেখে যত চৰাচৰ॥

হৰি-হৰ এক তনু জানি তেতিক্ষণে।
ৰণ এৰি কৈলাসক গৈলা ত্ৰিনয়নে ॥
শঙ্কৰ কৈলাসে গৈলা দেখিলেক বাণে।
শৰণ পশিলা গৈয়া শ্ৰীহৰি চৰণে ॥

১৫ নং খৰ নাম—

হৰি হৰি দয়াময় এ
আ' হৰি জগত কাৰণ
অজ্ঞানৰ দোষ ক্ষমা কৰা নাৰায়ণ এ
হৰি হৰি দয়াময় ॥

পদ —

কৃষ্ণৰ চৰণে ধৰি বোলে নৰপতি।
অজ্ঞানৰ দোষ ক্ষমা কৰা যদুপতি ॥
নাজানি তোমাৰ সঙ্গে কৰিলোহো ৰণ।
সি সব দোষক ক্ষমা কৰা নাৰায়ণ ॥
নমো নমো নাৰায়ণ দেৱ যদুপতি।
নিজগুণে উদ্ধাৰ কৰিলা নিজ নাতি ॥
নানা স্তুতি কৰি কৰে কৃষ্ণক সন্মাত।
উষাক বিবাহ দিলা অনিৰ লগত ॥
শুনিওক সভাসদ স্থিৰ কৰি মন।
উষা অনিৰুদ্ধ সঙ্গে গৈলা নাৰায়ণ ॥

বাণ নৰপতি বৈলা আপোন ভবনে।
গুপ্ত প্ৰণয়ৰ কথা ভৈলা সমাপনে॥
মূঢ় কণ্ঠিদাসে ভণে শুনা সৰ্ব্বজন।
গৃহ সুখে থাকি কৰা হৰিৰ কীৰ্ত্তন॥

সমাপ্ত